**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-OCT-2025 **Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত  কৃষি আৰু আনুসংগিক খণ্ডৰ ৪২ হাজাৰ কোটিৰো অদিক টকা ব্যয় সাপেক্ষ ভালেমান আঁচনি আৰু  প্ৰকল্পৰ উদ্বোধন কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আমন্ত্ৰণ ক্ৰমে মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলছুখ উখনা  সোমবাৰে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ নতুন দিল্লীলৈ আহিব।

৩। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্ন নানাজী দেশমুখক আজি জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জনাইছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কাইলৈ ইজৰাইল আৰু ইজিপ্ত ভ্ৰমণ কৰিব।

আৰু

৫। ভাৰতে নতুন দিল্লীৰ টেষ্টৰ আজি দ্বিতীয় দিনা ৫ উইকেটত ৫১৮ ৰাণ কৰি প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আয়োজিত বিশেষ অনুষ্ঠানত কৃষি আৰু আনুসংগিক খণ্ডৰ ৪২ হাজাৰ কোটিৰো অদিক টকা ব্যয় সাপেক্ষ ভালেমান আঁচনি আৰু  প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানত আয়োজিত এই অুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা আৰু দাইল উৎপাদনত আত্মনিৰ্বৰশীলতা অভিযান নামৰ কৃষি খণ্ডৰ দুটা উদ্যম মুকলি কৰে। প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা ৪২ হাজাৰ কোটি টকাৰে মুকলি কৰা হৈছে আৰু কৃষি উৎপাদন বৃদ্ধি, একেলগে ভিন ভিন শস্যৰ খেতি কৰা আৰু বহনক্ষম কৃষি প্ৰথাৰ প্ৰসাৰ , জলসিঞ্চন ব্যৱস্থাৰ উন্নয়ন আৰু দেশৰ বচা বচা ১০০ খন জিলাত দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন ঋণ সুচল কৰি তোলাৰ উদ্দেশ্যে এই আঁচনিখন যুগুত কৰা হৈছে।

আনহাতে ১১ হাজাৰ ৪৪০ কোটি টকা ব্যয়েৰে মুকলি কৰা দাইল উৎপাদন আত্মনিৰ্ভশীলতা অভিযানৰ জৰিয়তে বিভিন্ন মাহজাতীয় শস্যৰ উৎপাদন বৃদ্ধি, মাহজাতীয় শস্যৰ খেতি কৰা ভূমিৰ সম্প্ৰসাৰণ, মূল্য শৃংখলাৰ সুদৃঢ়কৰণ, ক্ৰয়, মজুতকৰণ, প্ৰসংস্কৰণ আৰু লোকচান হ্ৰাসৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কৃষি, পশুপালন, মীন পালন আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ ৫ হাজাৰ ৪৫০ কোটিৰো অদিক টকাৰ

কেইবাটাও প্ৰকল্প ৰাষ্ট্ৰ নামত উৎসৰ্গা কৰে। ইয়াৰ উপৰি শ্ৰীমোদীয়ে প্ৰায় ৮১৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও অতিৰিক্ত প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে এটা সমাবেশত ভাষণ দি শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি য়োজনা আৰু দাইল উৎপাদনত আত্মনিৰ্ভৰশীলত ্ভিযানে দেশৰ লাখ লাখ খেতিয়কৰ ভাগ্য সলনি কৰিব বুলি মন্তব্য কৰে। তেওঁ কয় যে একবিংশ শতিকাৰ বাবে ভাৰতে দ্ৰুত উন্নয়ন সুনিশ্চিত কৰিব লাগিব আৰু ইয়াৰ বাবে কৃষি ব্যৱস্থাৰ সংস্কাৰ অতিকে জৰুৰী। ২০১৪ চনত কৃষি খণ্ডৰ সংস্কাৰৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলিও তেওঁ মন্তব্য কৰে। এন ডি এৰ শাসনকালত লাভ কৰা বিভিন্ন সাফল্যৰ বিষেয় আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে বিগত ১১ বছৰত ভাৰতৰ কৃষিজাত ৰপ্তানি প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে আৰু দেশত খাদ্য সামগ্ৰীৰ উৎপাদন প্ৰায় ৯ কোটি মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। দেশত ফলমূল আৰু শাক-পাচলিৰ উৎপাদনো ৬৪০ লাখ মেট্ৰিকটন হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰত সম্প্ৰতি গাখীৰ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ এক নম্বৰ স্থানত আছে আৰু মাছ উৎপাদনৰ ক্ষেত্ৰত দ্বিতীয় লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে দেশত নতুনকৈ ছটা সাৰ কোম্পানী স্থাপন কৰা হৈছে আৰু বিগত ১১ বছৰত ২৫ কোটি ভূমি স্বাস্থ্য কাৰ্ড বিতৰণ কৰা হৈছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ জৰিয়তে চৰকাৰে কৃষি আহিলা-পাতিৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰি খেতিয়কসকলক সকাহ প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীয়ে সদায় খেতিয়কৰ স্বাৰ্থৰ প্ৰতি সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে নৰেন্দ্ৰ মোদী চৰকীৰে ৰবি শস্যৰ নূন্যতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নীধিৰ অধিনত বৰ্তমানলৈকে ৩ লাখ ৯০ হাজাৰ কোটি টকা যোগ্য কৃষকসকলৰ বেংক একাউণ্টলৈ পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাৰে হস্তান্তৰ কৰা হৈছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত খেতিয়কসকলৰ বেংক একাউণ্টলৈ ১ লাখ ৮৩ হাজাৰ কোটি হস্তান্তৰ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আমন্ত্ৰণ ক্ৰমে মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলছুখ উখনা সোমবাৰে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ নতুন দিল্লীলৈ আহিব। ৰাষ্ট্ৰপতি হিচাপে এয়া হ'ব তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণ। তেওঁৰ লগত কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ চৰকাৰী বিষয়া, আগশাৰীৰ ব্যৱসায়ী আৰু সাংস্কৃতিক প্ৰতিনিধিৰে গঠিত এটা উচ্চ পৰ্যায়ৰ দলো আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিব। ৰাষ্ট্ৰপতি উখনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক সম্পৰ্কক লৈ আলোচনা কৰিব। তেওঁ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন , প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰকো সাক্ষাৎ কৰাৰ কথা।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্ন নানাজী দেশমুখক আজি জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জনাইছে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে নানাজী দেশমুখৰ নিস্বাৰ্থ সেৱাই সকলোকে সততা ত্যাগৰ মনোভাৱেৰে দেশৰ প্ৰতি সেৱা আগবঢ়াবলৈ অনুপ্ৰেৰণা যোগাব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে নানাজী দেশমুখ এগৰাকী দূৰদৃষ্টি সম্পন্ন সমাজ সংস্কাৰক আৰু ৰাষ্ট্ৰ নিৰ্মাণকাৰী আছিল। আত্ম নিয়ন্ত্ৰণ আৰু গ্ৰাম্য সৰলীকৰণৰ হকে তেওঁ জীৱনজুৰি মাত মাতি আহিছিল বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে নানাজী দেশমুখৰ জীৱন ত্যাগ, নিয়মানুবৰ্তিতা আৰু সমাজসেৱাৰ প্ৰতি উৎসৰ্গিত আছিল। গ্ৰাম্য বিকাশ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে নানাজী দেশমুখে আগবঢ়াই যোৱা অৱদানে সকলোকে প্ৰেৰণা যোগাই যাব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কাইলৈ ইজৰাইল আৰু ইজিপ্ত ভ্ৰমণ কৰিব। ইজৰাইল আৰু হামাছৰ মাজত শেহতীয়াকৈ হোৱা যুদ্ধ বিৰতিৰ পৰিপ্ৰেক্ষিতত এজন আঞ্চলিক শান্তি ৰক্ষক হিচাপে নিজৰ ভূমিকা শক্তিশালী কৰাৰ বাবেই তেওঁ এই ভ্ৰমণ কৰিব। তেওঁ ইজৰাইলৰ সংসদ **কেনেছেটত** ভাষণ দিয়াৰ উপৰি শান্তি চুক্তিৰ অংশ হিচাপে মুকলি কৰি দিয়া পণবন্দী সকলকো সাক্ষাৎ কৰিব। শ্ৰী ট্ৰাম্পে ইজৰাইল-হামাছ শান্তি চুক্তিত প্ৰত্যেকৰে বাবে লাভদায়ক হ'ব বুলি মন্তব্য দিয়ে আৰু কয় যে মধ্য প্ৰাচ্যত শান্তি বৰ্তাই ৰখাত এই চুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। হামাছে ২০২৩ চনত আকস্মিকভাৱে ইজৰাইলত আক্ৰমণ চলাই এহেজাৰৰো অধিক লোকক হত্যা কৰা আৰু তাৰ পাছত ইজৰাইলে গাজাত ধাৰাবাহিক সামৰিক অভিযান চলাই থকাৰ প্ৰায় দুবছৰ পাছত দুয়োপক্ষৰ মাজত যুদ্ধবিৰতি ঘোষণা হৈছে। দুয়োপক্ষই এই ক্ষেত্ৰত ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ভূমিকাক প্ৰশংসা কৰিছে।

ooooo

দ্বীপ ৰাষ্ট্ৰ ফিলিপাইনছৰ দক্ষিণ অঞ্চলত কালি দুটা শক্তিশালী ভূমিকম্পঅনুভূত হয়। ভূমিকম্পৰ ফলত কেইবাঠাইতো ভূমিস্খলন হোৱাৰ উপৰি ৭ জন লোকৰ মৃত্যু হয়। ভূমিকম্পৰ পাছতে অঞ্চলতোত চুনামিৰ সতৰ্কতা জাৰি কৰা হয়। পুৱা হোৱা প্ৰথমতো ভূমিকম্পৰ প্ৰাবল্য আছিল ৭ দশমিক ৪ আৰু মানয় নগৰৰ পৰা ৪৩ কিলোমিটাৰ পূবৰ ডাভাও অৰিয়েণ্টেলৰ ভূ-পৃষ্ঠৰ পৰা ২৩ কিলোমিটাৰ গভীৰত ভূমিকম্পটোৰ অভিকেন্দ্ৰ আছিল। এই শক্তিশালী ভূমিকম্পটোৱে আতংকৰ সৃষ্টি কৰে। বহু ঘৰ-দুৱাৰ ভাগি পৰাৰ লগতে চিকিৎসালয়ত ভৰ্তি হৈ থকা দুজন ৰোগীৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মাটি চিটিত ঘৰ ভাগি পৰি এজন লোকৰ মৃত্যু হয়।

একেটা অঞ্চলতে নিশা ৬ দশমিক ৮ ৰিখটাৰ স্কেল প্ৰাবল্যৰ দ্বিতীয়টো ভূমিকম্প হয়। এই ভূমিকম্পটোৰো অভিকেন্দ্ৰ একেই স্থানতে ভূ-পৃষ্ঠৰ পৰা ৩৭ কিলোমিটাৰ গভীৰত আছিল।

কালি দক্ষিণ আমেৰিকা আৰু এণ্টাৰ্কটিকাৰ মাজৰ দুৰ্গম এলেকা ড্ৰেক পেছেজতো ৭ দশমিক ৮ ৰিখটাৰ স্কেল প্ৰাবল্যৰ এটা শক্তিশালী ভূমিকম্প জোকাৰণি অনুভূত হয়।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া এখন খেলত ইংলেণ্ড শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব। ইংলেণ্ড বৰ্তমান পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে শ্ৰীলংকা সপ্তম স্থানত আছে। ইপিনে যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নিউজিলেণ্ডে, বাংলাদেশক ১০০ ৰানত পৰাস্ত কৰে। নিউজিলেণ্ড টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ  বিনিময়ত ২২৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বাংলাদেশে ৩৯ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১২৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ooooo

ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা ৫ উইকেটত ৫১৮ ৰাণ কৰি প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ভাৰতৰ হৈ অপেনাৰ যশস্বী জয়ছোৱালে ১৭৫ ৰাণ কৰে। শুভমন গিলে ১২৯  আৰু চাই সুদৰ্শনে ৮৭ ৰাণৰ বৰঙণি আগবঢ়ায়।

ooooo